Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam

2026

ECONOMICS

(Major)

Paper : ECO4400204MJ

(Advanced Macroeconomics)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

1. Answer the following as directed : 1×8=8
তলত দিয়াবোৰৰ নির্দেশ অনুসৰি উত্তৰ দিয়া :

(a) Average propensity to consume =
উপভোগৰ গড় প্ৰৱণতা =

(i) S/Y

(ii) Y/S

(iii) C/S

(iv) C/Y

here Y, C and S are income, consumption and savings, respectively.
ইয়াত Y, C আৰু S ক্ৰমে আয়, উপভোগ আৰু সঞ্চয়।

(Choose the correct answer)
(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(b) What do you mean by purchasing power parity?

ক্রয় ক্ষমতাৰ সমতা বুলিলে কি বুজা ?

(c) In the model $Y = AK$, what does A imply?

$Y = AK$ আৰ্হিত Aয়ে কি সূচায় ?

(d) Define autonomous investment.

স্বতন্ত্ৰ বিনিয়োগৰ সংজ্ঞা দিয়া।

(e) Mention one visible item of balance of payments.

বৈদেশিক লেনদেনৰ সমতাৰ এটি দৃশ্যমান সামগ্ৰীৰ নাম লিখা।

(f) According to Solow model, what happens if there is an increase in the depreciation rate?

চ'লৰ আৰ্হি মতে, মূলধনৰ ক্ষয়ক্ষতিৰ হাৰ বৃদ্ধি হ'লে কি হয় ?

(i) Steady-state capital per worker increases

শ্ৰমিকে প্ৰতি স্থিৰ অৱস্থাৰ মূলধন বৃদ্ধি পায়

(ii) Steady-state capital per worker decreases

শ্ৰমিকে প্ৰতি স্থিৰ অৱস্থাৰ মূলধন হ্ৰাস পায়

(Continued)

(iii) No change in the steady-state capital per worker

শ্ৰমিকে প্ৰতি স্থিৰ অৱস্থাৰ মূলধনৰ কোনো পৰিৱৰ্তন নহয়

(iv) Economic growth rate decreases

অৰ্থনৈতিক বিকাশৰ হাৰ কমি যায়

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(g) The IS-LM model takes _____ as endogenous variable.

IS-LM আৰ্হিয়ে _____ক আভ্যন্তৰীণ চলক হিচাপে লয়।

(i) the price level and output

মূল্যস্তৰ আৰু উৎপাদন

(ii) the output

উৎপাদন

(iii) the price level

মূল্যস্তৰ

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(h) Phillips curve shows the _____ between inflation and unemployment.

(Fill in the blank)

ফিলিপছ ৰেখাই মুদ্ৰাস্ফীতি আৰু নিবনুৱা সমস্যাৰ মাজৰ _____ প্ৰকাশ কৰে। (খালী ঠাঁই পূৰণ কৰা)

(Turn Over)

Nagaon College Library Nagaon, Assam

2. Answer any *six* of the following questions : 2×6=12

তলৰ প্ৰশ্নবোৰৰ যি কোনো ছয়টাৰ উত্তৰ দিয়া :

(a) "Balance of Payments is always balanced." Why?

"বৈদেশিক লেনদেনৰ সমতা সদায় সমান হয়।" কিয় ?

(b) What is duesenberry demonstration effect?

ডুসেনবেৰীৰ প্ৰদৰ্শন প্ৰভাৱ কি ?

(c) Mention two causes that could cause a fall in the money supply.

মুদ্ৰাৰ যোগান নিম্নগামী কৰিব পৰা দুটা কাৰণ উল্লেখ কৰা।

(d) Write two assumptions of Mundell-Fleming model.

মাণ্ডেল-ফ্লেমিং আৰ্হিৰ দুটা অভিধাৰণা লিখা।

(e) What are technical attributes to consumption function?

ভোগ ফলনৰ কাৰিকৰী গুণসমূহ কি কি ?

(f) What does accelerator principle imply?

প্ৰৱৰ্তন নীতিয়ে কি বুজায় ?

(g) On which factors the slope of IS curve depends?

IS ৰেখাৰ ঢাল কোনবিলাক কাৰকৰ ওপৰত নিৰ্ভৰ কৰে ?

(Continued)

(h) What is the policy implication of the Phillips curve?

ফিলিপছ্ ৰেখাৰ নীতিগত প্ৰভাৱ কি ?

(i) What is adaptive expectation hypothesis?

অভিযোজিত প্ৰত্যাশাৰ ধাৰণা কি ?

(j) What is knowledge spillover?

জ্ঞান প্ৰসাৰণ কি ?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What is psychological law of consumption? Explain its implications.

মনোবৈজ্ঞানিক উপভোগ বিধিটো কি ? ইয়াৰ প্ৰভাৱবোৰ ব্যাখ্যা কৰা।

(b) Define actual growth rate. According to Harrod, when does the 'knife-edge equilibrium' exist?

প্ৰকৃত বিকাশৰ হাৰৰ সংজ্ঞা দিয়া। হেৰডৰ মতে, 'চুৰী-ধাৰৰ ভাৰসাম্য' কেতিয়া উদ্ভৱ হয় ?

(c) Define marginal efficiency of capital (MEC) and marginal efficiency of investment (MEI).

মূলধনৰ প্ৰান্তিক দক্ষতা আৰু বিনিয়োগৰ প্ৰান্তিক দক্ষতাৰ সংজ্ঞা দিয়া।

Anandaram Dhekial Phookan College Library
Acc. No.
Date
* Nagaon, Assam *

(Turn Over)

(d) What are the determinants of business fixed investment?

বাণিজ্যিক স্থায়ী বিনিয়োগৰ কাৰকসমূহ কি কি ?

(e) Write a short note on residential investment.

আৱাসিক বিনিয়োগৰ ওপৰত এটি চমু টোকা লিখা।

(f) Write a brief note on the policy implications of endogenous growth theory.

আভ্যন্তৰীণ বিকাশ তত্ত্বৰ নীতিগত প্ৰভাৱসমূহৰ ওপৰত এটা চমু টোকা লিখা।

(g) Briefly discuss the life-cycle hypothesis.

জীৱনচক্ৰ প্ৰকল্পটো চমুকৈ ব্যাখ্যা কৰা।

(h) The following equations describe an economy's consumption function :

$C = 200 + 0 \cdot 25Y$

Investment, $I = 150 + 0 \cdot 25Y - 100r$

Government spending, $G = 250$

Taxes, $T = 200$

Real money demand,

$$\frac{M}{P} = 2Y - 8000r$$

Real money supply, $\frac{M}{P} = 1600$

(Continued)

C, I, G are measured in cross and r in %

(i) Find the equation of the IS curve.

(ii) Find the equation of the LM curve.

তলত দিয়া সমীকৰণসমূহে এখন অৰ্থনীতিৰ উপভোগ ফলন প্ৰকাশ কৰে :

$C = 200 + 0 \cdot 25Y$

বিনিয়োগ, $I = 150 + 0 \cdot 25Y - 100r$

চৰকাৰী ব্যয়, $G = 250$

কৰ, $T = 200$

প্ৰকৃত মুদ্ৰাৰ চাহিদা, $\frac{M}{P} = 2Y - 8000r$

প্ৰকৃত মুদ্ৰাৰ যোগান, $\frac{M}{P} = 1600$

C, I, G ক্ৰচত আৰু r ক শতাংশত জোখা হৈছে

(i) IS ৰেখাৰ সমীকৰণ উলিওৱা।

(ii) LM ৰেখাৰ সমীকৰণ উলিওৱা।

4. Answer any *two* of the following questions : 10×2=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো দুটাৰ উত্তৰ দিয়া :

(a) How does the theory of rational expectations differ from that of adaptive expectations? Explain.

যৌক্তিক প্ৰত্যাশা তত্ত্ব অভিযোজিত প্ৰত্যাশা তত্ত্বতকৈ কিহত পৃথক ? ব্যাখ্যা কৰা।

(Turn Over)

Dhekiel Phoo... College Library Acc. No. Date Nagaon : Assam

(b) According to Solow, technological progress is the source of sustained per capita growth. Explain.

চ'লৰ মতে, প্ৰযুক্তিগত উন্নতি দীৰ্ঘম্যাদী জনমূৰি বিকাশৰ উৎস। ব্যাখ্যা কৰা।

(c) Distinguish between average propensity to consume (APC) and marginal propensity to consume (MPC). Explain the factors that influence MPC.

উপভোগৰ গড় প্ৰৱণতা (APC) আৰু উপভোগৰ প্ৰান্তিক প্ৰৱণতা (MPC)ৰ মাজত পাৰ্থক্য লিখা। MPCক প্ৰভাৱিত কৰা উপাদানসমূহ ব্যাখ্যা কৰা।

(d) Explain the accelerator theory of investment.

বিনিয়োগৰ ত্বৰণ নীতিটো ব্যাখ্যা কৰা।

(e) Distinguish between current account and capital account of the balance of payments. Mention the various items included on both accounts.

বৈদেশিক লেনদেনৰ সমতাৰ চলিত হিচাপ আৰু মূলধনী হিচাপৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা। দুয়োটা হিচাপত অন্তৰ্ভুক্ত বিভিন্ন বিষয়সমূহৰ নাম উল্লেখ কৰা।

★★★

Dhekial Phookan College Library
Acc. No.
Date
Amandanga * Nagaon * Assam